যিয়ে দুই শীতল নামাজ (ফজৰ আৰু আচৰ) আদায় কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।

আবূ মুছা আল-আশ্ব'আৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "যিয়ে দুই শীতল নামাজ (ফজৰ আৰু আচৰ) আদায় কৰিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুই শীতল নামাজৰ প্ৰতি উৎসাহিত কৰিছে, অৰ্থাৎ ফজৰ আৰু আচৰৰ নামাজৰ প্ৰতি। লগতে সুসংবাদ দিছে যে, যিয়ে জামাত সহকাৰে উপযুক্ত সময়ত নিয়মিতভাৱে এই দুটা নামাজ আদায় কৰিব, তেন্তে এই দুটা তেওঁৰ জান্নাত লাভ কৰাৰ কাৰণ হ'ব।

https://sunnah.global/hadeeth/as/show/4198